# বৰপেটা

**অনুশীলনীঃ**

**১। শব্দ অৰ্থঃ**

পৰাণ - প্ৰাণ

জুৰা - শাঁত পেলা

পূৰ্ণব্ৰহ্ম - ভগৱান

পদ-ৰজ  - পদধূলি

পূত - পবিত্ৰ

ইথানৰ -  এই স্থানৰ

বঠা - নাও চলা◌েৱা এবিধ কাঠৰ সঁজুলি

বিমল - পৱিত্ৰ , নিৰ্মল

নিজান -  নিস্তব্ধ , নিমাত , নিৰ্জন

জিনি - জয় কৰি, ভেদি শা◌েক - তাপ দুখ - কষ্ট , মনৰ অশান্তি

পলা -আঁতৰি যা

নাওখেল - নাও চলা◌েৱা এবিধ খেল ( অসম আৰু কেৰেলাত প্ৰসিদ্ধ )

উলাহ - আনন্দ

ৰা◌েল - কোহাল, ডাঙৰ হাই, হাহাকাৰ

চাবে চাবে - বঠাৰ প্ৰতিটো আঘাতত

চউপাশে - চাৰিওফালে

মৃদঙ্গ - সৰু ঢােলৰ দৰে এবিধ বিশেষ বাদ্য

সংকীৰ্তন - বহুতে সমস্বৰে কৰা কীৰ্তন

ধৰালই - ধৰালৈ পৃথিৱীলৈ

সাম্য মন্ত্ৰ - যি মন্ত্ৰই সকলােকে সমানতাৰ ভাবেৰে বান্ধে বা প্ৰভাবিত কৰে , সমান কৰা

মান - দেৱস্থান, যি ঠাইত দেৱতা থাকে যত ভক্ত সকলে পূজা - সেৱা কৰে

**২। তলৰ প্ৰশ্নবােৰৰ উত্তৰ দিয়াঃ**

**(ক) বৰপেটা ধামক কিয় অসমৰ কাশীপুৰী, দ্বাৰকা, মথুৰাপুৰী বুলি কবিয়ে কৈছে?**

**উত্তৰঃ-** বৰপেটাৰ ধৰ্মীয় পৰিৱেশ আৰু বৰপেটা সত্ৰৰ মহিমা দেখি মুগ্ধ হৈ অসমৰ কাশীপুৰী, দ্বাৰকা, মথুৰাপুৰী বুলি কবিয়ে কৈছে।

**(খ) কাৰ পদ-ধূলিৰে বৰপেটা ধাম পৱিত্ৰ তীৰ্থত পৰিণত হৈছে?**

**উত্তৰঃ-** হৰিৰ পদ-ধূলিৰে বৰপেটা ধাম পৱিত্ৰ তীৰ্থত পৰিণত হৈছে।

**(গ) ক'ত ক'ত হৰিনাম শুনিবলৈ পাােৱা যায়?**

**উত্তৰঃ-** উতসৱ-পৰ্ব, বিয়া-সবাহ, খেন-ধেমালিত হৰিনাম শুনিবলৈ পাােৱা যায়।

**(ঘ) হৰিনামৰ ধ্বনিয়ে সকলােৰে মনত কেনে প্ৰভাৱ পেলায়?**

**উত্তৰঃ-** হৰিনামৰ ধ্বনিয়ে সকলােৰে অন্তৰ পৱিত্ৰ কৰে।

**(ঙ) নাও খেল কেতিয়া খেলা হয় ? 'হৰিবােল', ৰামবােল' বুলি ডেকাহঁতে কেতিয়া চিঞৰে?**

**উত্তৰঃ-** নাও খেল ভাদমহীয়া খেলা হয়।

**(চ) মহাপুৰুষগৰাকীয়ে কি আদৰ্শ প্ৰচাৰ কৰিছিল জনগণৰ মাজত?**

**উত্তৰঃ-** মহাপুৰুষগৰাকীয়ে উচ্চ-নীচ, ভেদা-ভেদ আঁতৰাই সকলোকে সমান চকুৰে চাইছিল এই আদৰ্শ প্ৰচাৰ কৰিছিল জনগণৰ মাজত।

**(ছ) অসমীয়া ভাষাক কি উপায়েৰে পূৰ্ণতা দান কৰিছিল?**

**উত্তৰঃ-** অসমীয়া ভাষাক হৰিনাম, কীৰ্তনৰ মাধ্যমৰ যোগেদি পূৰ্ণতা দান কৰিছিল।

**(জ) নাৱৰীয়াহঁতে হৰিনাম গাই ক'ত নাও বাই যায়?**

**উত্তৰঃ-** নাৱৰীয়াহঁতে হৰিনাম গাই বৰপেটাৰ বিখ্যাত ভাদমহীয়া নাওখেলত নাও বাই যায়।

**৩। বাক্য ৰচনা কৰাঃ**

শাোক-তাপ - ভালসোকৰ মৃত্যু হ'লে সকলোৱে শোক-তাপ কৰে।

পৰাণ - মানুহজনে পৰাণ ত্যাগ কৰিলে।

নিজান - নিজান ৰাতি সৰু শব্দও ডাঙৰকৈ শুনা যায়।

সংকীৰ্তন - শাওনমাহত সকলোৱে লগলাগি সংকীৰ্তন কৰে।

সাম্য মন্ত্ৰ - মহাত্মা গান্ধীয়েসকলোকে সাম্য মন্ত্ৰ ভাবে চাইছিল।

চউপাশে - আমাৰ ঘৰৰ চউপাশে তামোল গছ আছে।

জুৰা - মৃদু বতাহজাকে সকলোৰে দেহা-মন জুৰ পেলায় যায়।

**৪। এটা শব্দত লিখা?**

**আৰ্হি এটা দিয়া হৈছে । মনাোযাোগেৰে চোৱা আৰু লিখা -**

হাতী চলায় যিয়ে - মাউত।

নাও বায় যিয়ে - নাওঁৰীয়া।

পথাৰত গৰু চৰাোৱা ল'ৰা - গৰখীয়া।

খেতি কৰে যিয়ে - খেতিয়ক।

মাটিৰ পাত্ৰ গঢ়া লাোক - কমাৰ।

যি ঘৰত নাম কীৰ্তন কৰা হয় - নামঘৰ।

বাটে বাটে যাোৱা লাোক - বাটৰুৱা।

**৫। ‘ ক ’ স্তম্ভৰ শব্দ কেইটাৰ লগত ‘ খ’স্তম্ভৰ শব্দকেইটা মিলাই লিখাঃ**

| 'ক' | 'খ' |
|---|---|
| মহিমা | খোল |
| নাও | নীচ |
| পাপী | জপি |
| উচ্চ | বায় |
| মহামন্ত্ৰ | গায় |
| তাল | তাপী |

**উত্তৰঃ**

মহিমা - জপি।

নাও - বায়।

পাপী - তাপী।

উচ্চ - নীচ।

মহামন্ত্র - গায়।

তাল - খোল।